# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 10-Nov.-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাজসাহায্যযুক্ত খাদ্য সামগ্ৰী যোগান আঁচনিৰ শুভাৰম্ভ। গুৱাহাটীৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

২। স্বৰ্গদেউ চাওলুং চুকাফাৰ নামেৰে চৰাইদেউ জিলাত গ্ৰীণফিল্ড বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্তক টাই-আহোম ছাত্ৰসন্থাৰ আদৰণি।

৩। গোৱালপাৰা জিলাৰ দহিকটা বনাঞ্চলৰ উচ্ছেদিত ভূমি সংৰক্ষণৰ বাবে প্ৰশাসনৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ।

৪। ৰাজ্য চৰকাৰৰ গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি লখিমপুৰত ১০ দিনীয়াকৈ আয়োজিত অসম গ্ৰন্থমেলাৰ আজি সামৰণি।

*আৰু*

৫। আগৰতলাত অনুষ্ঠিত ৰঞ্জী ট্ৰফীৰ চাৰি দিনীয়া খেলৰ আজি তৃতীয় দিনা অসমৰ ত্ৰিপুৰাৰ বিৰুদ্ধে ফ'ল'অন।

০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অংশ লোৱাৰ লগতে ৰাজ্যৰ প্ৰায় ৩৩ হাজাৰ সুলভ মূল্যৰ দোকানত মন্ত্ৰী, বিধায়ক আৰু স্থানীয় লোকসকলৰ উপস্থিতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। বিভিন্ন জিলাত আয়োজিত এই অনুষ্ঠানসমূহত মুখ্যমন্ত্ৰীৰ উপস্থিতিত গুৱাহাটীৰ কেন্দ্ৰীয় অনুষ্ঠানটো পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাজ্যখনত থকা প্ৰায় ৭০ লাখ পৰিয়ালে এই আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব আৰু প্ৰায় ২ কোটি ৪৫ লাখ হিতাধিকাৰী উপকৃত হ'ব। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ লাভ কৰিব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব। মুখ্যমন্ত্ৰীৰ লগতে চৰকাৰে যোৱা ৫ বছৰত পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি সকলো কাম কৰি গৈছে বুলি উল্লেখ কৰি দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলৰ সহায়ৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে সুলভ মূল্যৰ দোকানীসকলক প্ৰতি কিলো দাইল, চেনি আৰু নিমখৰ বিপৰীতে দুটকাকৈ দিয়া হ'ব বুলি উল্লেখ কৰি ৰাইজৰ পৰা তেওঁলোকক অতিৰিক্ত ধন নল'বলৈ আহ্বান জনায়। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে কেইবাগৰাকীও সাংসদ, বিধায়ক আৰু চৰকাৰী শীৰ্ষ বিষয়া উপস্থিত থাকে।

ৰাজ্যৰ অন্যান্য জিলাতো এই অনুষ্ঠানৰ আয়োজন কৰা হয়। **শোণিতপুৰ** জিলাৰ ৯৮৬ খন সুলভ মূল্যৰ দোকানত এই আঁচনি উদ্বোধন কৰা হয়। **যোৰহাট** জিলাতো আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচনকাৰ্ডপ্ৰাপ্ত প্ৰতিটো পৰিয়ালক ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগানৰ আঁচনি শুভাৰম্ভ কৰা হয়। **নগাঁও** জিলাত আজি নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই আঁচনিখনৰ শুভাৰম্ভ কৰে। চলিত মাহত ৰেচন কাৰ্ড লাভ কৰা গ্ৰাহকসকলে ৰাজ সাহায্য আজিৰেপৰা ১৯ নৱেম্বৰলৈ লাভ কৰিব। জিলাখনৰ এহেজাৰ ৭৮৬ খন সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৩ লাখ ৮২ হাজাৰ ৫৯৪ টা পৰিয়ালে এই সুবিধা লাভ কৰিব। ডিব্ৰুগড় জিলাৰ এহেজাৰ ৫৩৪ খন সুলভ মূল্যৰ দোকানৰ জৰিয়তে আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ পৰিয়ালসমূহক দাইল, চেনি আৰু নিমখ বিতৰণ কৰা হয়। জিলাখনৰ ৯ লাখ ২৬ হাজাৰ ১৯২ গৰাকী হিতাধিকাৰীয়ে এই সুবিধা লাভ কৰিব পাৰিব। **শিৱসাগৰ** জিলাৰ সকলো সুলভ মূল্যৰ দোকানত আজি মুখ্যমন্ত্ৰীৰ মূল অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ এহেজাৰ ২৬ খন সুলভ মূল্যৰ দোকানৰ মাধ্যমেৰে ১ লাখ ৬১ হাজাৰ ৭৭৩ টা পৰিয়ালে এই সুবিধা লাভ কৰিব। **তিনিচুকীয়া** জিলাতো আজি ৰেচন কাৰ্ড থকা হিতাধিকাৰীসকলে এই সুবিধা লাভ কৰে। **গোলাঘাট** জিলাত বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত মেৰাপানীৰ চাওদাং পথাৰত আয়োজিত অনুষ্ঠানত ৰাজ সাহায্যযুক্ত, মচুৰ দাইল, নিমখ আৰু চেনি যোগান আঁচনিৰ শুভাৰম্ভ কৰা হয়। একেদৰে **চৰাইদেউ** জিলাত মন্ত্ৰী যোগেন মহনৰ উপস্থিতিত এই আঁচনিৰ শুভাৰম্ভ কৰা হয়। জিলাখনত ১ লাখ চাৰি হাজাৰৰো অধিক পৰিয়ালে এই আঁচনিৰ সুবিধা লাভ কৰিব। **বোকাখাতত** আজি মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত এই সামগ্ৰীসমূহ বিতৰণৰ শুভাৰম্ভ কৰা হয়। বোকাখাতত ৩৯ হাজাৰ ৭০৭ খন ৰেচন কাৰ্ডৰ বিপৰীতে ১ লাখ ২০ হাজাৰৰো অধিক হিতাধিকাৰীয়ে দাইল, চেনি আৰু নিমখ লাভ কৰিব। **পশ্চিম কাৰ্বি আংলং** জিলাত আজি ২৫২ খন সুলভ মূল্যৰ বিপণীত এই আঁচনি উদ্বোধন কৰা হয়। ইয়াৰ জৰিয়তে ১ লাখ ৯৬ হাজাৰ ৬৯৭ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হ'ব। **মৰিগাঁও** জিলাত আজি এহেজাৰ ৮৮ খন সুলভ মূল্যৰ দোকানত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। জাগীৰোড সমষ্টিৰ শিলচাং সমবায় সমিতিত অনুষ্ঠিত এই কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকে।

**ওদালগুৰি** জিলাতো আজি বি টি চিৰ পাৰিষদ অৰ্জুন দৈমাৰীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। **বাক্সা** জিলাৰ ৪৬০ খন সুলভ মূল্যৰ দোকানৰ পৰা সামগ্ৰী লাভ কৰা ১ লাখ ১৭ হাজাৰৰো অধিক ৰেচন কাৰ্ড থকা হিতাধিকাৰীৰ বাবে আজি এই আঁচনিৰ শুভাৰম্ভ কৰা হয়। **তামুলপুৰ**তো আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত সুলভ মূল্যৰ মচুৰ দাইল, চেনি আৰু নিমখ বিতৰণৰ আজি শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই আঁচনিৰ শুভাৰম্ভ কৰে। ইয়াৰ অধীনত জিলাখনৰ ৩৮৩ খন সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৯৭ হাজাৰ ৯১৭ টা পৰিয়াল উপকৃত হ'ব। **ধুবুৰী** জিলাতো আজি এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০

ৰাজ্য চৰকাৰে স্বৰ্গদেউ চাওলুং চুকাফাৰ নামেৰে চৰাইদেউ জিলাত এখন নতুন গ্ৰীণফিল্ড বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। এই বিশ্ববিদ্যালয়খনত কলা আৰু বিজ্ঞান শাখাৰ উপৰি বাণিজ্য আৰু ব্যৱসায় ব্যৱস্থাপনা

পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হ'ব আৰু এই বিষয়ত বিশ্ববিদ্যালয়খনক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া বিধানসভাৰ অধিৱেশনত চুকাফা বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধেয়ক উত্থাপন কৰা হ'ব।

চৰাইদেউ জিলাৰ সোণাৰীত আজি টাই-আহোম ছাত্ৰসন্থাই এখন সংবাদমেলত চুকাফা বিশ্ববিদ্যালয় স্থাপনৰ বাবে লোৱা কেবিনেটৰ সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে। ছাত্ৰ সংগঠনটোৱে অনতিপলমে শিৱসাগৰ জিলাৰ অন্তৰ্ভুক্ত হৈ থকা চৰাইদেউ মৈদাম ক্ষেত্ৰক চৰাইদেউ জিলাৰ অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰ আহ্বান জনায়। কেবিনেটৰ সিদ্ধান্তক আদৰণি জনাই টাই-আহোম ছাত্ৰসন্থাৰ কেন্দ্ৰীয় সমিতিৰ যুতীয়া সম্পদক দিগন্ত চাংমাইয়ে এইদৰে কয়- ***(বাইট)***

০০০০০

গোৱালপাৰা জিলাৰ দহিকটা বনাঞ্চলত প্ৰশাসন আৰু বন বিভাগে কালি উচ্ছেদ অভিযান চলাই এহেজাৰ ১৪০ বিঘা মাটি দখলমুক্ত কৰাৰ পাছত সেই অঞ্চলটো সংৰক্ষিত কৰি ৰখাৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিয়াৰ কাম আৰম্ভ কৰিছে। বন আৰু পৰিৱেশ বিভাগৰ দায়িত্বত থকা বিশেষ মুখ্য সচিব এম কে যাদৱৰ লগতে জিলাৰ বন সংমণ্ডল প্ৰাধীকাৰী তেজেছ মৰিশ্বামীয়ে আজি সেই ঠাই পৰিদৰ্শন কৰি অঞ্চলটোৰ সংৰক্ষণৰ বিষয়ে বন-বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত যোৱা ১ নৱেম্বৰৰ পৰা লখিমপুৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি সামৰণি পৰিছে। এই উপলক্ষে আজি বিয়লিৰ ভাগত অনুষ্ঠিত সভাত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে অংশগ্ৰহণ কৰে। নিজৰ ভাষণত ড° গোস্বামীয়ে সময়ৰ প্ৰত্যাহ্বান নেওচি গ্ৰন্থৰ জনপ্ৰিয়তা অটুত আছে বুলি উল্লেখ কৰে। এই গ্ৰন্থমেলাৰ ১০ দিনত ৪০ৰ পৰা ৪৫ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হোৱা বুলি অসম প্ৰকাশন পৰিষদৰ সূত্ৰই প্ৰকাশ কৰিছে। আজি সামৰণি অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাৰ বঁটা বিজয়ীসকলক পুৰস্কৃত কৰা হয়। এই প্ৰতিযোগিতাত উত্তৰ লখিমপুৰৰ পানীন্দ্ৰ বিদ্যালয়ে প্ৰথম, শংকৰদেৱ শিশু বিদ্যা নিকেতনে দ্বিতীয়, জিনিয়াছ একাডেমী লখিমপুৰে তৃতীয় আৰু বগীনদী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চতুৰ্থ স্থান লাভ কৰিছে।

০০০০০

প্ৰতিগৰাকী অসমীয়াৰ বুকুৰ আপোন শিল্পী জুবিন গাৰ্গক সুঁৱৰি অহা ১৯ নৱেম্বৰত ২০০ গৰাকীৰো অধিক কণ্ঠশিল্পীয়ে গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাত শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰিব। কণ্ঠশিল্পী অসমৰ উদ্যোগত আয়োজিত **জুবিন-জোনাক কণ্ঠলৈ সুৰৰ অৰ্ঘ্য** শীৰ্ষক অনুষ্ঠানত জুবিন গাৰ্গে কণ্ঠদান কৰা ভক্তিমূলক, আধুনিক, লোকসংগীত, জনজাতীয় গীতকে ধৰি সকলো ধৰণৰ প্ৰায় দুকুৰি গীত শিল্পীসকলে পৰিৱশন কৰিব। কণ্ঠশিল্পীসকলৰ সামূহিক প্ৰচেষ্টাত আয়োজিত এই ব্যতিক্ৰমী শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মা, ৰূপম ভূঞা, নিৰ্মালী দাস, বৰ্ণালী কলিতা, অনুপম শইকীয়া আৰু সুবাসনা দত্ত অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত আছে। অনুষ্ঠান উপভোগ কৰাৰ বাবে কোনো প্ৰৱেশ পত্ৰৰ প্ৰয়োজন নাথাকিব বুলি আহ্বায়কসকলে জানিবলৈ দিছে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰী জিলাৰ গোলকগঞ্জত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত আত্মসহায়ক গোটৰ সদস্যসকলক চেক বিতৰণ কৰে। এই অভিযানৰ অধীনত আজি প্ৰথম কিস্তি

হিচাপে ১০ হাজাৰ টকাকৈ বিতৰণ কৰা হয়। দ্বিতীয় কিস্তিত ২৫ হাজাৰ আৰু তৃতীয় কিস্তিত ৫০ হাজাৰ টকাকৈ বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। অনুষ্ঠানত জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে নিজৰ ভাষণত কয়, যে এই সুবিধা লাভ কৰিবলৈ হ'লে একোটা পৰিয়ালত সৰ্বাধিক দুটা সন্তান থাকিব লাগিব। ততোধিক সন্তান থকা দম্পত্তিয়ে এই সুবিধা লাভ কৰিব নোৱাৰিব। তদুপৰি গোলকগঞ্জত চাৰি হাজাৰ গৰাকী হিতাধিকাৰীক অৰুণোদয় আঁচনিৰে সামৰি লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত, পৌৰপতিৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদ অস্থায়ীভাৱে কটন বিশ্ববিদ্যালয়ৰ সমীপৰ জি এ ডি ভৱনলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আজি গুৱাহাটী উকীল সন্থাৰ উদ্যোগত অধিবক্তাসকলে প্ৰতিবাদী সমদল উলিয়ায়। পুৰণি আদালত চৌহদৰ পৰা উলিওৱা এই সমদল কটন বিশ্ববিদ্যালয়ৰ সন্মুখেৰে গৈ গুৱাহাটী উচ্চ ন্যায়ালয় হৈ পুৰণি আদালত চৌহদলৈ ঘূৰি আহে। অধিবক্তাসকলে অস্থায়ীভাৱে আদালত অন্য স্থানলৈ স্থানান্তৰৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ দাবী জনায়। আদালত স্থানান্তৰৰ বিৰোধিতাৰে কাইলৈ গুৱাহাটী উকীল সন্থাই আদালত বৰ্জন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলা আৰক্ষীয়ে যোৱানিশা চাৰিটা স্থানত অভিযান চলাই পাঁচখন সোণৰ বিস্কুট আৰু অলংকাৰসহ তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে সোণৰ বিস্কুটখিনিৰ মূল্য প্ৰায় ২৪ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে যোৱানিশা এখন গহণাৰ দোকানৰ লগতে তিনিজন লোকৰ ঘৰত অভিযান চলাই সোণৰ বিস্কুটৰ লগতে নগদ চাৰি লাখ টকা, সোণ-ৰূপৰ অলংকাৰ, এখন মটৰ চাইকেল আৰু ম'বাইল ফোনসহ প্ৰায় ২৪ লাখ টকাৰ সামগ্ৰী জব্দ কৰে। ধৃত সৰবৰাহকাৰীকেইজন গুলজাৰ হুছেইন, সুমন আলী আৰু মফিদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে।

ooooo

বন্দে মাতৰম গীতটোৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত আকৰ্ষণীয় কাৰ্যসূচী হাতত লোৱা হৈছে। লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা আৰক্ষী বাহনীয়ে বেণ্ডসহ সমদল কৰি চহৰখৰ ক্লক টাৱাৰৰ সন্মুখলৈকে গীতটি পৰিৱেশন কৰে। বৰপেটা আৰক্ষীয়ে আজি চহৰৰ পাঁচ আলি চকত গীতটোৰ সুৰ সমলয় পৰিৱেশন কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। নগাঁও জিলাৰ কলিয়াবৰৰ শিলঘাটৰ ৰাসথলীত কালি ইংলেণ্ড, স্কটলেণ্ডকে ধৰি বহিঃৰাষ্ট্ৰৰ পৰা অহা ১৭ জনীয়া পৰ্যটকৰ এটা দলে ৰাসলীলা উপভোগ কৰে। নদী পথেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকৰ দলটোৱে নিশা শিলঘাটত নদীৰ বুকুত জাহাজতে অতিবাহিত কৰাৰ পাছত আজি পুৱা পুনৰ কাজিৰঙা দৰ্শনৰ বাবে যাত্ৰা কৰে। ইপিনে, বাক্সা জিলাত ৯২ সংখ্যক পূব খাগ্ৰাবাৰী ৰাস মহোৎসৱত জীৱন্ত ৰাসলীলাই অগণন লোকক মুগ্ধ কৰিছে। এই ৰাসলীলা উপভোগ কৰিবলৈ বহু লোকৰ সমাগম হৈছে।

ooooo

আগৰতলাৰ মহাৰজা বীৰ বিক্ৰম ষ্টেডিয়ামত চলি থকা ৰঞ্জী ট্ৰফীৰ এলিট চি গ্ৰুপৰ চাৰিদিনীয়া খেলখনত অসমে ত্ৰিপুৰাৰ বিৰুদ্ধে ফ'ল'অন কৰিবলৈ বাধ্য হৈছে। আজি তৃতীয় দিনৰ খেলৰ সামৰণিত অসমে দ্বিতীয় ইনিংছত তিনি উইকেটৰ বিনিময়ত ৭৮ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ আগতে ত্ৰিপুৰাৰ প্ৰথম ইনিংছৰ ৬০২ ৰানৰ প্ৰত্যুত্তৰত অসমে প্ৰথম ইনিংছত ২৩৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। অসমৰ হৈ শিৱশংকৰ ৰয়ে সৰ্বোচ্চ

৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনৰ এটা দিন বাকী থকা অৱস্থাত অসম এতিয়াও ত্ৰিপুৰাৰ প্ৰথম ইনিংছৰ ৰান সংখ্যাতকৈ ২৮৬ ৰানত পিছ পৰি আছে।

ooooo

বজালী জিলাৰ পাঠশালাৰ সমীপৱৰ্তী ধৰমতলা গাঁৱৰ কৃষ্ণকান্ত কলিতাৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। আথিয়াবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কলিতাৰ মৃত্যুৰ সময়ত বয়স আছিল ৭২ বছৰ। এগৰাকী কৃতি শিক্ষক তথা সৰবৰহী ব্যক্তি হিচাপে তেওঁ বহুলভাৱে পৰিচিত আছিল।

ooooo

সমাপ্ত